**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-06-2024
**Time :** 1800 Hrs.

***Assamese Evening Bulletin***

লোকসভা নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া ভোটগণনাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। কাইলৈ অন্ধ্ৰপ্ৰদেশ আৰু ওড়িশা বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ লগতে আন কেইবাটাও বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰো ভোটগণনা কৰা হ'ব। পুৱা ৮ বজাত ভোটগণনা আৰম্ভ হ'ব। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে, ভোটগণনাৰ সমগ্ৰ প্ৰক্ৰিয়া তথা ফলাফলসমূহ নিৰ্বাচন আয়োগৰ ৱেবচাইট results.eci.gov.inৰ লগতে ভোটাৰ হেল্পলাইন এপ'ত উপলব্ধ হ'ব। জনসাধাৰণে এই ভোটাৰ হেল্পলাইন এপ' গুগল প্লে' ষ্ট'ৰ অথবা এপ'ল প্লে' ষ্ট'ৰৰ পৰা ডাউনলোড কৰিব পাৰিব। আয়োগে লগতে ৰিটাৰ্ণিং বিষয়া আৰু কাউণ্টিং এজেণ্টসকলৰ বাবে ইয়াৰ ৱেবচাইটত এখন হাতপুথিও প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ৭টা পৰ্যায়ত অনুষ্ঠিত এইবাৰৰ লোকসভা নিৰ্বাচন ৫৪২ খন আসনত ৮ হাজাৰৰো অধিক প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ইয়াৰে ১৬ শতাংশ প্ৰাৰ্থী ৰাষ্ট্ৰীয় ৰাজনৈতিক দল হোৱাৰ বিপৰীতে ৪৭ শতাংশ নিৰ্দলীয় প্ৰাৰ্থী আছে।

ইফালে, অসমতো কাইলৈ হ'বলগীয়া ভোটগণনাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। ৰাজ্যখনৰ ৫০খন নিৰ্বাচনী জিলাত স্থাপিত ৫২টা ভোটগণনা কেন্দ্ৰত হ'বলগীয়া ভোটগণনাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে এই কথা প্ৰকাশ কৰি কয় যে, পুৱা ৮ বজাত আৰম্ভ হ'বলগীয়া ভোট গণনাৰ বাবে মুঠ ৫ হাজাৰ ৮২৩ গৰাকী বিষয়া-কৰ্মচাৰীক নিয়োগ কৰা হৈছে। ভোটগণনা স্বচ্ছ পদ্ধতিৰে সম্পন্ন কৰাটো নিশ্চিত কৰাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগে ৬৪ গৰাকী সাধাৰণ পৰ্যবেক্ষকক নিযুক্তি দিছে বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

আনহাতে, মুঠ ৫২টা ভোটগ্ৰহণ কেন্দ্ৰত এহেজাৰ ৯৪১ খন ভোটগণনাৰ মেজৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, আজিৰ দিনটোলৈ ৰাজ্যৰ ১৪ গৰাকী ৰিটাৰ্ণিং বিষয়াই ১ লাখ ২৮ হাজাৰৰো অধিক ডাক-বেলট লাভ কৰিছে বুলি জানিবলৈ দি তেওঁ লগতে কয় যে যোৰহাট লোকসভা সমষ্টিত সৰ্বাধিক সংখ্যক ডাক বেলট লাভ কৰা হৈছে।

০০০০০০০০

দেশৰ অন্য ৰাজ্যসমূহৰ লগতে অসমতো ৫২টা কেন্দ্ৰত কাইলৈ পুৱা ৮ বজাৰ পৰা ভোটগণনা আৰম্ভ হ'ব। ইয়াৰ পূৰ্বৰ নিৰ্বাচনত প্ৰথমে পোষ্টেল বেলটসমূহ গণনা কৰা হৈছিল আৰু তাৰ ৩০ মিনিট পাছত ইভিএম মুকলি কৰাৰ ব্যৱস্থা আছিল যদিও এইবাৰ লোকসভা নিৰ্বাচনত এই নিয়মৰ কিছু সলনি কৰা হৈছে। এইবাৰ ৰিটাৰ্ণিং বিষয়া থকা জিলাৰ ভোটগণনা কেন্দ্ৰত পুৱা ৮ বজাত পোষ্টেল বেলট গণনা আৰম্ভ হ'ব আৰু ৩০ মিনিট পাছত ইভিএম মুকলি কৰা হ'ব। এই স্থানসমূহত পোষ্টেল বেলট গণনাৰ বাবে পৃথক টেবুলৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, বাকী জিলাসমূহত পোষ্টেল বেলট পেপাৰ গণনা কৰা নহয়। সেই ঠাইসমূহত পুৱা ৮ বজাৰ পৰা ইভিএমৰে গণনা আৰম্ভ হ'ব। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে জনোৱা অনুসৰি ভোটগণনা সম্পন্ন কৰিবলৈ ৬৪জন সাধাৰণ পৰ্যবেক্ষকক প্ৰতিনিধি হিচাপে নিযুক্তি দিয়া হৈছে। ইফালে, ৰাজ্যখনত সৰ্বমুঠ ১ লাখ ২৮ হাজাৰ ২৯৯টা পোষ্টেল বেলট প্ৰদান কৰা হৈছে।

ৰাজ্যত অন্য জিলাসমূহৰ লগতে ভোটগণনাৰ বাবে বৰপেটা জিলা প্ৰশাসন আৰু জিলা কৰ্তৃপক্ষ সাজু হৈছে। জিলাখনৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ত পুৱা ৮ বজাৰ পৰা ভোটগণনা আৰম্ভ হ'ব। মহাবিদ্যালয়খনৰ চাৰিটা কোঠাত ১৪ খনকৈ টেবুলত ভোটগণনা চলিব বুলি নিৰ্বাচনী বিষয়াগৰাকীয়ে জানিবলৈ দিছে। ভোটগণনা প্ৰক্ৰিয়াত অসুবিধাৰ

সৃষ্টি নহ'বলৈ দায়িত্বত নিয়োজিত বিষয়াসকলক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। একেদৰে ডিফু সংসদীয় সমষ্টিৰ অন্তৰ্গত হাওৰাঘাট, ডিফু আৰু বোকাজান উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ভোটগণনা অনুষ্ঠিত হ'ব। ইয়াৰ বাবে জিলাখনত আজি সন্ধিয়া ৫ বজাৰ পৰা ১৪৪ ধাৰা জাৰি কৰা হৈছে।

যোৰহাট লোকসভা সমষ্টিত ৬টা স্থানত ভোট গণনা প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব। যোৰহাট সমষ্টিত ১৩টা ৰাউণ্ড আৰু তিয়ক ১৮টা ৰাউণ্ডত ভোটগণনা চলিব। সেইদৰে পোষ্টেল বেলটৰ ক্ষেত্ৰত তিনি তিনি ৰাউণ্ডকৈ গণনা চলিব। লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ পৰিপ্ৰেক্ষিতত জিলাখনত ১৪৪ ধাৰা জাৰি কৰা হৈছে। নিৰ্দেশনা অনুসৰি ভোটগণনা আৰু ফলাফল ঘোষণা সম্পূৰ্ণ নোহোৱালৈকে ভোটগণনা কেন্দ্ৰৰ চৌহদৰ ভিতৰত কোনোধৰণৰ শ্লোগান দিব নোৱাৰিব। লগতে ভোটগণনা কেন্দ্ৰৰ চৌদহৰ বাহিৰত কোনো ৰাজনৈতিক দল বা প্ৰাৰ্থীয়ে বিজয় উৎসৱ পালন কৰিব নোৱাৰিব। গণনা কেন্দ্ৰৰ এক কিলোমিটৰ ব্যাসাৰ্ধৰ ভিতৰত জনসমাৱেশ, পতাকা, লাঠী, আগ্নেয়াস্ত্ৰলৈ শোভাযাত্ৰা উলিওৱাৰ ক্ষেত্ৰততো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। একেদৰে বাক্সা জিলাত কাইলৈ পুৱা ৫ বজাৰ পৰা পৰহি সন্ধিয়া ৫ বজালৈ ১৪৪ ধাৰা জাৰি কৰিছে।

ইপিনে, অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি চৰাইদেউ জিলাৰ সোণাৰীত উপস্থিত হৈ দলীয় নেতা-কৰ্মীসকলৰ সৈতে বৈঠকত মিলিত হয়।

০০০০০০০

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে কাইলৈ লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৰা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা চাৰে ৮ বজাৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWS ON AIR এপ, আমাৰ ইউ টিউব চেনেল AIR NEWS GUWAHATI আৰু X হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি পি সিঙে ঢকুৱাখনাত সংঘটিত  হত্যাকাণ্ডৰ ভুক্তভোগীৰ বাসগৃহত আজি উপস্থিত হৈ ঘটনাৰ বুজ লয়। তেওঁ মৃত সুনীল গগৈৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ পৰিয়ালৰ সৈতে মত বিনিময় কৰে। এই ঘটনা সন্দৰ্ভত বিশেষ তদন্তকাৰীদল গঠন কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০০

**সমাপ্ত**